ইণ্টাৰনেটত 'দৈনিক অসম' http://dainik.assamtribune.com

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

৭ | লখিমপুৰত বীৰ লাচিত সেনাৰ ৰঙালী বিহু

কপিল শৰ্মা শ্ব'ৰ অচিৰেই অন্ত! | ১০

৫৮ বছৰীয়া ঐতিহ্য ১৯৬৫-২০২২

সাউদৰভিঠাত ৰংজালী বৈশাগু উদ্‌যাপন | ৯

১২ | মণ্টে কাৰ্লো মাষ্টাৰ্ছ টেনিছত ৰুবলেভৰ খিতাপ

| ২৪৮ সংখ্যা, ৪ ব'হাগ, মঙ্গলবাৰ, ১৯৪৫ শক | DAINIK ASAM : Assamese Daily | VOL. 58 NO. 248 | DIBRUGARH, TUESDAY, APRIL 18, 2023 | পৃষ্ঠা ১২ (Pages 1

# ডিব্ৰুগড় সাহিত্য সভা ভৱনত বিহু উপলক্ষে বৰ্ণাঢ্য অনুষ্ঠান সম্পন্ন

নিজা বাতৰি দিওঁতা

**টিংখাং, ১৭ এপ্ৰিল ঃ** অসম জাতীয়তাবাদী যুৱ পৰিষদ আৰু ডিব্ৰুগড় সাহিত্য সভাৰ যৌথ উদ্যোগত জাতীয়তাবাদী মহিলা পৰিষদ আৰু স্বেচ্ছাসেৱী অনুষ্ঠান সম্পৰ্কৰ সহযোগত ব'হাগৰ আদৰণি সংহতি সংকল্প অনুষ্ঠান কালি ডিব্ৰুগড় চৌকিডিঙ্গীত থকা অসম সাহিত্য সভাৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱনত অনুষ্ঠিত হয়। এই উপলক্ষে ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি বিশিষ্ট সাহিত্যিক ড° শশীকান্ত শইকীয়া আৰু অসম জাতীয়তাবাদী যুৱ পৰিষদ সভাপতি উজ্জ্বল কুমাৰ চুতীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে উপ-সভাপতি বিভাস দুৱৰাই। বিশিষ্ট সাংস্কৃতিক কৰ্মী নৃত্য পৰিচালক মুকুল আহমেদৰ পৰিচালনাত সাতভনী নৃত্যৰ পৰিৱেশন কৰে। অসমৰ আগশাৰীৰ জেংবিহু দল 'গামখাৰু'ৰ বিহু প্ৰদৰ্শন, বিশিষ্ট শিল্পী ৰুবুল দত্তৰ পৰিচালনাত 'বৰলুইত চেমনীয়া হুঁচৰি' দলৰ হুঁচৰি পৰিবেশন, মৰাণ হুঁচৰি দলৰ হুঁচৰিৰ লগতে বিহুৱতী কাব্যশ্ৰী বৰাৰ বিহু, প্ৰিয়াংশ্ৰী গগৈৰ আৰু পংশীপ্ৰিয়া দত্তই সৃষ্টিমূলক নৃত্য প্ৰদৰ্শন কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক তথা বিশিষ্ট লেখক ড° গোপাল চন্দ্ৰ হাজৰিকা আৰু ডিব্ৰু মহাবিদ্যালয় প্ৰাক্তন অধ্যক্ষা বিশিষ্ট লেখিকা গল্পকাৰ জ্যোতি বৰগোহাঁইক বিশেষ সম্বৰ্দ্ধনা জনোৱা লগতে অসম সাহিত্য সভাৰ উলগণি পত্ৰ প্ৰদান কৰা হয় সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী জ্ঞানদা দুৱৰা আৰু সত্ৰীয়া সংস্কৃতিৰ সাধক তথা সত্ৰীয়া কলা কৃষ্টি কেন্দ্ৰৰ প্ৰধান আচাৰ্য মোহন তামুলীক সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। বিশিষ্ট ব্যক্তিসকলক সম্বৰ্দ্ধনা পত্ৰ, উলগণি পত্ৰ লগতে চেলেং, গামোচা, ফুলাম জাপি আদিৰে সম্বৰ্দ্ধনা জনোৱা হয়। সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি ৰতন কছাৰী, বেংগলী যুৱ ছাত্ৰ ফেডাৰেচনৰ কাৰ্যকৰী সভাপতি নিৰ্মল কান্তি শীল, সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলনৰ সভাপতি ৰঞ্জিত গোহাঁই, কৈৱৰ্ত যুৱ ছাত্ৰ সন্মিলনৰ সভাপতি জয়ন্ত দাস, অসম জাতীয়তাবাদী মহিলা পৰিষদৰ অসমৰ সভানেত্ৰী ৰ'জলিন গগৈ শইকীয়া, গীতালি মহন্ত, গৌৰী শইকীয়া, মিণ্টু বৰুৱা, ৰাতুল বৰুৱা, নিৰঞ্জন দাস, ড° ৰুণুমা শৰ্মা, উৎপলা দাস, সুৰজিতা সন্দিকৈ গগৈ, জেছিম আহমেদ, শিল্পী ভুৱন গগৈ, ভূৱন বৰুৱা প্ৰমুখ্যে বহু বিশিষ্ট ব্যক্তি উপস্থিত থকা অনুষ্ঠানত জনগোষ্ঠীয় গামোচাৰ আৰ্হিত বেটুপাতেৰে উদয়ন কুমাৰ গগৈ সম্পাদনাত 'গামোচা' নামৰ এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে সদৌ টাই আহোম ছাত্ৰ সন্থাৰ সভাপতি মিলন বুঢ়াগোহাঁই উপস্থিত থাকে।





লখিম...

আৰু...

নিজা বাতৰি দিওঁতা

লখিমপুৰ, ১৭ এপ্ৰি...

কলকাতাত সম্বৰ্দ্ধিত চিন্ময় কলিতা

ইণ্টাৰনেটত 'দৈনিক অসম' http://dainik.assamtribune.com

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত



৭ | লখিমপুৰত বীৰ লাচিত সেনাৰ বঙালী বিহু

কপিল শৰ্মা শ্ব'ৰ অচিৰেই অন্ত! | ১০

৫৮
বছৰীয়া ঐতিহ্য
১৯৬৫-২০২২

সাউদৰভিঠাত ৰংজালী বৈশাগু উদ্‌যাপন | ৯

১২ | মণ্টে কাৰ্লো মাষ্টাৰ্ছ টেনিছত ৰুবলেভৰ খিতাপ



DIBRUGARH TUESDAY APRIL 18 2023 | পৃষ্ঠা ১২ (Pages 12) | ৭.০০ টকা (Rs. 7.00)